# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 20-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ মুক্ত বাণিজ্য চুক্তি বিজয়া দশমীৰ দিনটোতে আজি কাৰ্যকৰী হৈছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে সংযুক্ত আৰব আমীৰী ৰাষ্ট্ৰৰ উপ প্ৰধানমন্ত্ৰী শ্বেইখ আব্দুল্লা বিন জায়েড অল নাহায়নৰ সৈতে মুম্বাইত বাৰ্তালাপ কৰিব।

৩। চৰকাৰী কাৰ্যসূচীৰে ভাৰত ভ্ৰমণলৈ অহা অমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ' আজি মুম্বাইত উপস্থিত হ'ব।

৪। পোলেণ্ড গণৰাজ্যৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টুস্ক কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

***আৰু***

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মহিলা ক্ৰিকেট দলৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ৰায়পুৰত অনুষ্ঠিত হ'ব।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ মুক্ত বাণিজ্য চুক্তি বিজয়া দশমীৰ দিনটোতে আজি কাৰ্যকৰী হৈছে। এই চুক্তিৰ জৰিয়তে ভাৰতৰ ৰপ্তানিকৃত সামগ্ৰীসমূহ নিউজিলেণ্ডত ১০০ শতাংশ শুল্কমুক্ত হ'ব। নতুন দিল্লীত অনুষ্ঠিত ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তি অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰত ২০৪৭ৰ লক্ষ্য প্ৰাপ্তিৰ দিশত এই চুক্তি অনুৰূপ হিচাপে বিবেচিত হৈছে। তেওঁ কয়, যেএই চুক্তিয়ে ভাৰতৰ ৰপ্তানিকৃত সামগ্ৰী উৎপাদনকাৰীসকলক বিশেষকৈ লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগী, শিল্পী, কৃষক আৰু ঔষধ প্ৰস্তুতকাৰীসকলক বিশেষ সুবিধা প্ৰদান কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে দুয়োখন দেশে দ্বিপাক্ষিক বাণিজ্য দুগুণলৈ বৃদ্ধি উদ্দেশ্যে ২০৩০ চনৰ ভিতৰত প্ৰায় ৩৫ হাজাৰ কোটি টকা মূল্যৰ সামগ্ৰী তথা সেৱা খণ্ডত একেলগে কাম কৰি যোৱাৰ সিদ্ধান্তত সন্মত হোৱা বুলি মত প্ৰকাশ কৰে।

***(বাইট ঃ গোৱেল)***

মন্ত্ৰী শ্ৰী গোৱেলে কয়, যে ভাৰতীয় খেতিয়কসকলে ফলমূল, পাচলি, মচলা আৰু অন্যান্য কৃষিজাত সামগ্ৰী বিক্ৰীৰ বাবে এখন বৃহৎ বজাৰ লাভ কৰিব। এই চুক্তিয়ে উৎপাদিত সামগ্ৰীৰ গুণগত মান, উচ্চ আয় আৰু জীৱন ধাৰণৰ মান উন্নত কৰাৰ ক্ষেত্ৰত সহায় কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই চুক্তিৰ জৰিয়তে

দুগ্ধজাত খণ্ডকে ধৰি সংবেদনশীল খণ্ডসমূহ সুৰক্ষিত কৰা আৰু জনসাধাৰণৰ কল্যাণৰ কথা নিশ্চিত কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

মন্ত্ৰী শ্ৰী গোৱেলে কয়, যে নিউজিলেণ্ডে ভাৰতত ২০ বিলিয়ন আমেৰিকান ডলাৰ ভাৰতত বিনিয়োগ কৰিব। ইয়াৰ জৰিয়তে নিৰ্মাণ, আন্তঃগাঁথনি খণ্ড উন্নয়নৰ লগতে সেৱা আৰু উদ্ভাৱনৰ ক্ষেত্ৰখনো শক্তিশালী কৰা হ'ব। শ্ৰী গোৱেলে লগতে কয় যে এই চুক্তিৰ জৰিয়তে নিয়োগৰ সুবিধাও বৃদ্ধি পাব।

উল্লেখযোগ্য যে, ভাৰত আৰু নিউজিলেণ্ডৰ মাজত চলিত বছৰৰ এপ্ৰিল মাহত নতুন দিল্লীৰ ভাৰক মণ্ডপমত এই মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰিত হৈছে। এই চুক্তিয়ে সেৱা, বিনিয়োগ আৰু বৃত্তিধাৰী লোক, শিক্ষাৰ্থী আৰু যুৱ প্ৰজন্মৰ বাবে নতুন সুবিধাৰ সৃষ্টি কৰিব। ভাৰত আৰু নিউজিলেণ্ডে দীৰ্ঘদিনীয়া ঘনিষ্ঠ সম্বন্ধ বজাই ৰখাৰ লগতে দুয়ো দেশৰ মাজত বাণিজ্য আৰু বিনিয়োগ, কৃষি, শিক্ষা, ক্ৰীড়া, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰত সহযোগিতা বজাই ৰাখিছে।

এই অনুষ্ঠানতে কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী গোৱেলে ভাৰতৰ পৰা নিউজিলেণ্ডলৈ ৰপ্তানি কৰা জেচিবি মেচিনৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ্ জয়শংকৰে আজি সংযুক্ত আৰব আমীৰী ৰাষ্ট্ৰৰ উপ প্ৰধানমন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰী শ্বেইখ আব্দুল্লা বিন জায়েড অল নাহায়নৰ সৈতে মুম্বাইত বাৰ্তালাপ কৰিব। দুয়োগৰাকী বৈদেশিক মন্ত্ৰীয়ে চৌডি আৰবত হোৱা শেহতীয়া আক্ৰমণকে ধৰি পশ্চিম এচিয়াৰ সন্ত্ৰাস জৰ্জৰ পৰিস্থিতিৰ কথা আলোচনা কৰাৰ থল আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে দুয়োগৰাকী নেতাৰ এই বৈঠকে দ্বিপাক্ষিক সহযোগিতা আৰু পশ্চিম এচিয়াৰ বৰ্তমানৰ পৰিস্থিতি তথা গোলকীয় আৰু বহুপাক্ষিক বিষয়সমূহত পৰ্যালোচনা কৰাৰ সুযোগ আনি দিব। উল্লেখযোগ্য যে সংযুক্ত আৰব আমীৰী ৰাষ্ট্ৰৰ নেতাগৰাকী দুয়ো দেশৰ মাজত দ্বিপাক্ষিক অংশীদাৰিত্ব শক্তিশালী কৰাৰ উদ্দেশ্যে কালি সন্ধিয়া মুম্বাইত উপস্থিত হয়। অতিথি মন্ত্ৰীগৰাকীক মহাৰাষ্ট্ৰৰ দক্ষতা বিকাশ মন্ত্ৰী মংগলপ্ৰভাত লোধাই আদৰণি জনায়।

০০০০০

চৰকাৰী কাৰ্যসূচীৰে ভাৰত ভ্ৰমণলৈ অহা অমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ'ই আজি মুম্বাইত উপস্থিত হ'ব। সচিব ৰুবিঅ'ই হোটেল তাজমহল পেলেচৰ ভিতৰৰ তাজ স্মাৰকত সন্ত্ৰাসৰ বলি হোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। বিয়লি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ্ জয়শংকৰৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। এই আলোচনাত ভাৰত-আমেৰিকাৰ কৌশলগত অংশীদাৰিত্ব, অৰ্থনৈতিক সহযোগিতা, আঞ্চলিক স্থিতি স্থাপকতা আৰু শক্তি সুৰক্ষাৰ মূল দিশসমূহ সামৰিলোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পাছত শ্ৰী ৰুবিঅ'ই জিঅ' বিশ্ব সম্মিলন কেন্দ্ৰত অনুষ্ঠিত মুক্তি ২৫০ অভ্যৰ্থনা শীৰ্ষক আলোচনাত অংশগ্ৰহন কৰিব। কাইলৈ তেওঁ গুজৰাটৰ জাম নগৰলৈ যাত্ৰা কৰিব। ইয়াৰ পূৰ্বে শ্ৰী ৰুবিঅ'ই কালি কয়, যে আমেৰিকা আৰু ভাৰতৰ মাজৰ বাণিজ্যিক চুক্তি চূড়ান্ত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। উজবেকিস্তানৰ সমৰকণ্ডত সাংবাদিকৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত তেওঁ ৰাছিয়াৰ তেল আৰু গেছ আমদানি কৰা দেশসমূহৰ ওপৰত থকা নিষেধাজ্ঞা সাময়িকভাৱে ৰেহাই দিয়াৰ ৱাশ্বিংটনৰ সিদ্ধান্তৰ কথা উল্লেখ কৰে।

০০০০০

পোলেণ্ড গণৰাজ্যৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টুস্কে কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ মৰ্মে তেওঁ ভাৰত ভ্ৰমণলৈ আহিব। তেওঁৰ সৈতে দেশখনৰ বিত্ত আৰু অৰ্থনীতি মন্ত্ৰী আণ্ড্ৰেজ ডমান্স্কি আৰু এটা বৃহৎ ব্যৱসায়ীৰ প্ৰতিনিধি ভাৰতলৈ আহিব। এই ভ্ৰমণৰ সময়ত পোলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে অহা বৃহস্পতিবাৰে দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব আৰু দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন বিষয় লৈ আলোচনা কৰিব। তেওঁ বেংগালুৰু ভ্ৰমণ কৰিব আৰু তথ্য প্ৰযুক্তি আৰু মহাকাশ খণ্ডৰ কেইবাজনো ব্যৱসায়িক অংশীদাৰৰ সৈতে মত-বিনিময় কৰিব। ভাৰত-পোলেণ্ড ব্যৱসায়িক মঞ্চৰ বৈঠক নতুন দিল্লীত ২২ অক্টোবৰত আৰু বেংগালুৰুত ২৩ অক্টোবৰত অনুষ্ঠিত হ'ব। পোলেণ্ডৰ প্ৰধানমন্ত্ৰীৰ এয়া হৈছে দেশখনৰ প্ৰধানমন্ত্ৰীৰূপে দ্বিতীয়টো ভাৰত ভ্ৰমণ। ২০১০ চনত তেওঁ প্ৰথমবাৰলৈ প্ৰধানমন্ত্ৰীৰূপে ভাৰত ভ্ৰমণ কৰিছিল। ২০১৭ চনত ইউৰোপীয়ান কাউন্সিলৰ সভাপতি ৰূপে তেওঁ ভাৰত-ইউৰোপীয় ইউনিয়ন সন্মিলনত অংশগ্ৰহণৰ বাবে তেওঁ নতুন দিল্লীলৈ আহিছিল।

ooooo

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত আজি দশেৰা উৎসৱ সুকলমে অনুষ্ঠিত কৰাৰ বাবে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। জনসাধাৰণৰ সুৰক্ষা নিশ্চিত তথা আইন শৃংখলা পৰিস্থিতি বজাই ৰখাৰ অৰ্থে ৰাজধানী অঞ্চলত ১৩ হাজাৰ নিৰাপত্তাৰক্ষী মোতায়ন কৰা হৈছে। বিভিন্ন ধৰ্মীয় স্থান, জনসমাগম হোৱা ঠাইসমূহ, অনুষ্ঠানস্থলীসমূহত কৰ্তৃপক্ষই চোকা নজৰ ৰাখিছে। গুৰুগ্ৰাম অঞ্চলৰ ৬৬ টা ৰাৱন দাহন স্থলী আৰু ফৰিদাবাদৰ ১৭ টা ধৰ্মীয় তথা অন্যান্য স্থানত আইন পৰিস্থিতি বজাই ৰখাৰ অৰ্থে এহেজাৰ ২০০ আৰক্ষী জোৱান মোতায়েন কৰা হৈছে। যানবাহন শাখাৰ আৰক্ষীয়েও যানযঁট আৰু জনসমাগম নিয়ন্ত্ৰণৰ উদ্দেশ্যে তৎপৰ হৈ আছে।

দিল্লী আৰক্ষীয়ে জনোৱা মতে স্পৰ্শকাতৰ অঞ্চলসমূহত জ্যেষ্ঠ আৰক্ষী বিষয়াসকলে নিৰাপত্তা ব্যৱস্থা পৰ্যালোচনা কৰে। বিশেষকৈ জনসমাগম হোৱা ঠাইবোৰ, উল্লেখযোগ্য মন্দিৰ, মণ্ডপ আৰু দশেৰা পালনস্থলীসমূহত সুৰক্ষা ব্যৱস্থাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

ooooo

ভাৰত আৰু জিম্বাব'ৱেৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে দ্বিতীয়খন খেলত ৯ উইকেটত জয়লাভ কৰি শৃংখলাটোত ২-০ অগ্ৰগতি লাভ কৰিছে।

ছত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইৰ পৰামৰ্শ মৰ্মে বিশেষ উদ্যমৰ অংশহিচাপে মহিলাৰ বাবে শৃংখলাৰ তিনিওখন খেলৰ টিকট বিনামূলীয়া কৰা হৈছে।

ooooo

সমাপ্ত